

৬.১৪ অধিক জানিবলৈ

১) Aggarwal, J.C. (2013). *Populaion Education*, New delhi : Shipra Publications.

২) Akhtar, Parveen R. (2014), *Environmental and Population Education*. Guwahati: Assam Book Depot.

৩) Chandel & Nand (2011). *Population Education*. Agra : Shri Vinod Pustak Mandir.

৪) Gupta, P. K. (2005). *Population Education*, Meerut : R. Lali Book Depot.

৫) Kapoor & Kapoor (2013) *Population Education*. Guwahati : EBH Publishers.

৬) Nanda, S. K. (2002), *Population Education- An informative Update*. Delhi : Doaba House.

৭) Rao, V. K. (2001). *Population Education*. Delhi : A. P. H. Publishing Corporation.

৬.১৫ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক শিক্ষাৰ জনসংখ্যা শিক্ষাৰ পাঠ্যক্রমৰ ক্ষেত্রত টি বি মেহতা আৰু বি এচ পৰখে মত পোষণ কৰে যে এই স্তৰত পৰিয়ালৰ আকাৰ আৰু সুখী পৰিয়াল জীৱনৰ সৰু ধৰাণাবোৰ অন্তর্ভুক্ত কৰিব লাগে। 'সৰু পৰিয়াল সুখী পৰিয়াল'ৰ দৰে ধাৰণাবোৰত গুৰুত্ব প্রদান কৰিব লাগে।

২ নং প্রশ্নৰ উত্তৰ ঃ প্রাথমিক পর্যায়ৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য হ'ল—

১) তলত দিয়া বিষয়বোৰৰ মাজত সম্বন্ধৰ বোধজ্ঞান বৃদ্ধি কৰা—

(i) জনসংখ্যা বৃদ্ধি আৰু জীৱন ধাৰণৰ মানদণ্ড।

(ii) জনসংখ্যা বৃদ্ধি আৰু অর্থনৈতিক বিকাশ।

(iii) জনসংখ্যা বৃদ্ধি আৰু পৰিৱেশ।

(iv) জনসংখ্যা বৃদ্ধি আৰু পৰিয়াল আৰু স্থানীয় সম্প্রদায়ৰ স্বাস্থ্য আৰু পুষ্টি।

২) পৰিয়াল, ওচৰ-চুবুৰীয়া আৰু গাঁৱৰ জনসংখ্যাৰ লগত সম্বন্ধিত প্রাসংগিক তথ্য সংগ্রহৰ দক্ষতা ছাত্র-ছাত্রীৰ মাজত সৃষ্টি কৰা।